# ভাৰত আৰু অৰ্মেনিয়াৰ মাজত ৰাজনৈতিক আৰু অৰ্থনৈতিক আলোচনা অনুষ্ঠিত ।

নতুন দিল্লীত ভাৰত আৰু আৰ্মেনিয়াৰ মাজত ২৫-২৬ চেপ্তেম্বৰ তাৰিখে অন্তৰ্ৱৰ্তী চৰকাৰী আয়োগৰ (inter-Governmental Commission)ষষ্ঠ লানি বৈঠকৰ সমান্তৰাল ভাৱে সপ্তম লানি বৈদেশিক কাৰ্য্যলয়ৰ পৰামৰ্শ সম্পৰ্কীয় বৈঠক (Foreign Office Consultation) অনুষ্ঠিত হয় ।

২৫ চেপ্তেম্বৰ তাৰিখে আৰ্মেনিয়াৰ উপ-বৈদেশিক মন্ত্ৰী মহামান্য শ্ৰী চাৰ্গে ডি.মানাচ্ছাৰিয়ান আৰু বৈদেশিক পৰিক্ৰমা মন্ত্ৰনালয়ৰ সচিব (পূৱ)শ্ৰী কে.কান্ঠাৰ মাজত বিস্তৃত ভাৱে বৈদেশিক কাৰ্য্যলয় পৰ্যায়ৰ বৈঠক অনুষ্ঠিত হয় ।  দুয়াপক্ষই দ্বিপাক্ষীক সম্পৰ্কৰ সমগ্ৰ  বিষয়সমূহৰও বিতংভাৱে পৰ্য্যালোচনা কৰে ।তেওঁলোকে বিভিন্ন আঞ্চলিক আৰু আন্তৰ্জাতিক প্ৰসংগ সমূহৰ আলোচনা কৰাৰ উপৰিও বৰ্তমানৰ আন্তৰ্জাতিক পৰিস্থিতি সন্দৰ্ভত দুয়োপক্ষই মতবিনিময়ো কৰে ।আন্তৰাষ্ট্ৰীয় মঞ্চত দুয়োদেশৰ মাজৰ নিকটতম সহযোগিতাৰ বিষয়ত তেওঁলোকে সন্তোষ্টি প্ৰকাশ কৰে ।

বাণিজ্য,অৰ্থনৈতিক,বৈজ্ঞানিক আৰু প্ৰযুক্তিকৰন,সংস্কৃতিক আৰু শিক্ষামুলক সহযোগিতাৰ বিষয়ত ষষ্ঠ লানি ভাৰত-আৰ্মেনিয়া আন্তৰ্ৱতী-চৰকাৰী আয়োগৰ (আই.জি.চি) বৈঠকো ২৫-২৬ চেপ্তেম্বৰ তাৰিখে নতুন দিল্লীত অনুষ্ঠিত হয় ।আলোচনা কালত তথ্য প্ৰযুক্তি,বিজ্ঞান আৰু প্ৰযুক্তি,স্বাস্থ্য, উন্নয়ন মুলক সহযোগিতা,পৰ্যটন আৰু অসামৰিক বিমান উড্ডয়ন আৰু

সংস্কৃতিকে সামৰি দুয়োদেশৰ মাজত বিভিন্ন ক্ষেত্ৰত চলিত সহযোগিতা সম্পৰ্কীয় বিষয়সমূহ পৰ্য্যালোচনা কৰা হয় । বিভিন্ন প্ৰকল্প সম্পৰ্কীয় প্ৰস্তাৱ সমূহ কাৰ্য্যকৰী কৰিবলৈ দুয়োপক্ষই দ্বিপাক্ষীক প্ৰচেষ্টাক ক্ষীপ্ৰতৰ কৰাৰ বিষয়ত সিদ্ধান্ত গ্ৰহন কৰে । বৰ্তমান আলোচনাৰ অন্তৰ্ভূক্ত দ্বিপাক্ষীক চুক্তি সমূহৰ ক্ষীপ্ৰতাৰে চূড়ান্ত কৰাৰ ক্ষেত্ৰত আগবঢ়াৰ বাবে দুয়োপক্ষই একমত হয় ।দুয়োগৰাকী অধ্যক্ষ শ্ৰী চাৰ্গে ডি. মানাচ্চাৰিয়ান আৰু শ্ৰী অশোক কে.কান্ঠাই আই.জি চি বৈঠকৰ সিদ্ধান্ত সমূহৰ কূটনৈতিক প্ৰস্তাৱনাত স্বাক্ষৰ কৰে ।

নতুন দিল্লী

২৬ চেপ্তেম্বৰ ২০১৩